**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-05-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। গোলকীয় অনিশ্চয়তাৰ সময়ছোৱাত পাৰস্পৰিক সহযোগিতাই বহনক্ষম ভৱিষ্যত গঢ়াত সহায়ক হ'ব বুলি ভাৰত আৰু ছুইডেন সহমতত উপনীত হৈছে।

২। উচ্চতম ন্যায়ালয়ে ৰাজহুৱা স্থানৰ পৰা তুলি লোৱা কুকুৰৰ টিকাকৰণ বা বন্ধ্যাকৰণৰ পাছত পুনৰ মুকলি নকৰিবলৈ দিয়া নিৰ্দেশ বাহাল ৰাখিছে।

৩। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হয়।

৪। মিজোৰামত ভোটদাতাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে।

আৰু

৫। আফগানিস্তানৰ বিৰুদ্ধে ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল বাছনি সন্দৰ্ভত বি চি চি আইৰ গুৰুত্বপূৰ্ণ বৈঠক আজি গুৱাহাটীত অনুষ্ঠিত হ'ব।

০০০০০০০

গোলকীয় অনিশ্চয়তাৰ সময়ছোৱাত পাৰস্পৰিক সহযোগিতাই সমৃদ্ধি আৰু বহনক্ষম ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত সহায় কৰিব পাৰে বুলি ভাৰত আৰু ছুইডেন সহমতত উপনীত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছুইডেনৰ প্ৰধানমন্ত্ৰী উল্ফ ক্ৰিষ্টাৰছনে লিখা এটা নিবন্ধত এই বিষয়ে উল্লেখ কৰা হৈছে। বৰ্ধিত ভূ-ৰাজনৈতিক অনিশ্চয়তা, ইন্ধনৰ সংকট আৰু অৰ্থনৈতিক প্ৰতিবন্ধকতাৰ মাজত সমগ্ৰ বিশ্বই পাৰস্পৰিক অংশীদাৰিত্ব শক্তিশালী কৰা নাইবা সংকীৰ্ণ ৰাষ্ট্ৰীয় দৃষ্টিভংগী গ্ৰহণ কৰি পিছুৱাই থকা এই দুটাৰ এটা বিকল্প গ্ৰহণ কৰিব লাগিব বুলি নিবন্ধটোত কোৱা হৈছে। যুটীয়াভাৱে লিখা এই নিবন্ধত দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে কয়, যে ৰাষ্ট্ৰসংঘই ৮০ সংখ্যক বাৰ্ষিকী উদযাপনৰ সময়ত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু বহুপাক্ষিকতাৰ বিষয়সমূহ অধিক প্ৰাসংগিক হৈ উঠিছে। তেওঁলোকে কয়, যে গোলকীয় প্ৰশাসনীয় সংস্থাসমূহৰ সংস্কাৰ সাধন কৰাটো সম্প্ৰতি এৰাব নোৱাৰা বিষয় হৈ পৰিছে। আন্তঃৰাষ্ট্ৰীয় আইন আৰু সৰ্বভৌম সমতাৰ নীতিভিত্তিক আন্তৰ্জাতিক ব্যৱস্থাই কেইবাদশক ধৰি সুস্থিৰতা আৰু উন্নয়নৰ ক্ষেত্ৰত সহায় কৰি আহিছে বুলি  দুয়োগৰাকী নেতাই মত প্ৰকাশ কৰে। নিবন্ধটোত নেতা দুগৰাকীয়ে বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হৈ গ্ল'বেল ছাউথৰ শক্তিশালী কণ্ঠ হোৱাৰ ক্ষেত্ৰত ভাৰতৰ দুটা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ ভিতৰত ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ দৃষ্টিভংগী আৰু ২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যৰ কথা অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰত আৰু ছুইডেনৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক ২০৩০ চনৰ ভিতৰত অধিক শক্তিশালী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি দুদিনীয়া আনুষ্ঠানিক ভ্ৰমণসূচীৰে ইটালীৰ ৰোমত উপস্থিত হ'ব। দ্বিপাক্ষিক বাণিজ্যিক সহযোগিতা, বিনিয়োগ আৰু প্ৰযুক্তিগত উদ্ভাৱন শক্তিশালী কৰাৰ উদ্দেশ্য প্ৰধানমন্ত্ৰীগৰাকী ইটালীলৈ যাব। প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনৰ বতৰাত ইটালীত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকল আনন্দত উৎফুল্লিত হোৱা দেখা গৈছে। ইটালীৰ প্ৰধানমন্ত্ৰী গৰ্জিয়া মেল'নিৰ আমন্ত্ৰণ মৰ্মে প্ৰধানমন্ত্ৰী এই ভ্ৰমণলৈ ৰাওনা হৈছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়তে দুয়ো দেশৰ মাজত শিক্ষা, কৃষি, দুগ্ধ উৎপাদন, ৰিয়েলইষ্টেট আৰু অন্যান্য ব্যৱসায় সন্দৰ্ভত উচ্চ পৰ্যায়ৰ দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।

প্ৰধানমন্ত্ৰীগৰাকীৰ এই আগমনৰ বতৰাই ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ মাজতেই নহয়, স্থানীয় ইটালীয়ানসকলৰ মাজতো উৎসাহ-উদ্দীপনা দেখা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰতৰ ব্যৱসায়ীসকললৈ সুযোগ কঢ়িয়াই অনাৰ সম্ভাৱনা আছে।

000000000

উচ্চতম ন্যায়ালয়ে ৰাজহুৱা স্থানৰ পৰা তুলি লোৱা বাটৰ কুকুৰৰ টিকাকৰণ বা বন্ধ্যাকৰণৰ পাছত পুনৰ মুকলি কৰি নিদিবলৈ দিয়া নিৰ্দেশ প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰে। ন্যায়াধীশ বিক্ৰম নাথৰ নেতৃত্বত গঠিত বিচাৰপীঠে ২০২৫ চনৰ নৱেম্বৰত দিয়া পূৰ্বৰ নিৰ্দেশৰ সংশোধন বিচৰা আবেদন খাৰিজ কৰি এনে কুকুৰক আশ্ৰয় শিবিৰত আবদ্ধ কৰি ৰাখিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

শিশু, বৃদ্ধ আৰু ভ্ৰমণকাৰীৰ ওপৰত কুকুৰৰ আক্ৰমণ বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰি ন্যায়ালয়ে কয়, যে ৰাজহুৱা স্থান, বিমানবন্দৰ আৰু আবাসিক এলেকাতসমূহতো ইয়াৰ প্ৰকোপ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিচাৰপীঠে নিৰ্দেশনা কাৰ্যকৰী নকৰা বিষয়াসকল অনুশাসনমূলক ব্যৱস্থাৰ সন্মুখীন হ'ব পাৰে বুলি সকীয়াই দিয়ে।

ন্যায়ালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক জীৱ-জন্তু নিয়ন্ত্ৰণ কেন্দ্ৰ স্থাপন, জলাতংক বিৰোধী টীকাকৰণৰ ব্যৱস্থা নিশ্চিত কৰাৰ লগতে বিপজ্জনক বা উন্মাদ কুকুৰৰ ইউথেনেছিয়াকে ধৰি আইনগতভাৱে অনুমোদিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

00000

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও এই অনুষ্ঠানত উপস্থিত থাকে। তদুপৰি কেন্দ্ৰীয় চৰকাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ শীৰ্ষ বিষয়া আৰু কাৰিকৰী বিশেষজ্ঞইও বৈঠকত অংশ লয়। এই বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি নদী অৱবাহিকা ব্যৱস্থাপনা পদক্ষেপৰ অগ্ৰগতিৰ বুজ লোৱা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজৰ মূল্যায়ণ কৰি ব'ৰ্ডৰ ভৱিষ্যত কাম-কাজৰ ৰূপৰেখা প্ৰস্তুত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি এই বৈঠকত বহনক্ষম জলসংৰক্ষণৰ প্ৰচাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত আৰু থলুৱা জল ব্যৱস্থাপনা পদ্ধতি সম্পৰ্কীয় গ্ৰন্থ আৰু তথ্যচিত্ৰও মুকলি কৰা হয়। বৈঠকত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু পশ্চিমবংগত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

বাইট

উল্লেখযোগ্য যে, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এই উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ পুনৰ গঠনৰ পাছত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

000000000

মিজোৰামত ভোটদাতাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। মুখ্য নিৰ্বাচনী বিষয়া ডং লালৰোজামাই কালি আইজলত এই বিষয়ে প্ৰকাশ কৰে। এই প্ৰক্ৰিয়া ৰূপায়ণৰ বাবে এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীত দিয়া ভাষণত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে দেশৰ নিৰ্বাচন আয়োগ আৰু জনসাধাৰণৰ আকাংক্ষা পূৰণ কৰিব পৰাকৈ এই কাৰ্য সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰে। নিৰ্বাচনী বিষয়া, ভোটদাতাৰ পঞ্জীয়ন বিষয়া, সহকাৰী পঞ্জীয়ন বিষয়া আৰু জিলা পৰ্যায়ৰ মুখ্য প্ৰশিক্ষকসকলৰ বাবে কালি এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে বিষয়াসকলক নিষ্ঠা আৰু সততাৰে এই কাম কৰি যাবলৈ আহ্বান জনায়। তেওঁ কয়, যে এজনো যোগ্য ভোটদাতাৰ নাম যাতে তালিকাৰ পৰা বাহিৰ নহয় এই কথাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। তেওঁ লগতে বি এল অ' সকলক এই সংশোধনী প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ অংশ বুলি উল্লেখ কৰি

স্বচ্ছতাৰে এই কাৰ্য ৰূপায়ণ কৰাৰ ক্ষেত্ৰত তৎপৰ হ’বলৈ তেওঁলোকক আহ্বান জনায়। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগে ১৪ মে’ত ৰাজ্যখনত বিশেষ পুংখানুপুংখ সংশোধনী সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০০০

মিজোৰামৰ ৰাজ্যিক মন্ত্ৰীসভাই ৰাজ্যখনত বহিঃৰাজ্যৰ লোকৰ প্ৰৱেশ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে ইনাৰ লাইন পাছৰ নতুন নিৰ্দেশনাত অনুমোদন জনাইছে। আইজলৰ মন্ত্ৰীসভাৰ কক্ষত কালি মুখ্যমন্ত্ৰী লালডুৱমাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুন নিৰ্দেশনা অনুসৰি মিজোৰামত বহিঃৰাজ্যৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত থকা নীতিসমূহ সুশৃংখলিত হ’ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, মিজোৰামৰ এটা নাগৰিক সংগঠন আৰু ব্যৱসায়িক সংস্থাই ইনাৰ লাইন পাৰ্মিট উলংঘা সন্দৰ্ভত অভিযোগ তোলাৰ লগতে এই সন্দৰ্ভত নীতি-নিৰ্দেশনাৰ সংস্কাৰ দাবী কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ছট্টিশগড়ৰ জগদলপুৰত কেন্দ্ৰীয় মাণ্ডলিক পৰিষদৰ ২৬ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিছে। এই বৈঠকত ছত্তিশগড়, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীসকলে অংশ লৈছে। তদুপৰি কেন্দ্ৰীয় গৃহ সচিব, চোৰাংচোৰা সংস্থাৰ সঞ্চালক, চাৰিওখন ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান, শীৰ্ষ প্ৰশাসনিক বিষয়া আৰু আৰক্ষীৰ শীৰ্ষ বিষয়াসকলে বৈঠকত অংশ লৈছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী মন্ত্ৰীগৰাকীয়ে কালি ৰায়পুৰত তাৎক্ষণিক সঁহাৰি সেৱা ডায়েল ১১২ৰ অধীনত নতুন বাহনৰ শুভাৰম্ভ কৰে। ডায়েল ১১২ সুবিধা পূৰ্বে ৰাজ্যখনৰ ১৬ খন জিলাত উপলব্ধ আছিল আৰু বৰ্তমান ৩৩ খন জিলালৈ এই সেৱা সম্প্ৰসাৰণ কৰা হৈছে। এই কাৰ্য্যসূচীৰ পাছত শ্ৰী শ্বাহ বাষ্টাৰলৈ ৰাওনা হয়। তেওঁ বাষ্টাৰত জিলাখনৰ নেটানাৰ গাঁৱৰ চি আৰ পি এফ চাউনিত এটা জন সুবিধা কেন্দ্ৰ উদ্বোধন কৰে। উল্লেখযোগ্য যে এই কেন্দ্ৰৰ জৰিয়তে অতি ভিতৰুৱা অঞ্চলত বাস কৰা লোকেও যাতে চৰকাৰ তথা ডিজিটেল সেৱাৰ সুবিধাসমূহ সহজে লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰা হৈছে। ইয়াৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকী জগদলপুৰলৈ যায় আৰু তাত তেওঁ অমৰ ৱাটিকাত ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০

অহা ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ’বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল বাছনি সন্দৰ্ভত বি চি চি আইৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি গুৱাহাটীত অনুষ্ঠিত হ’ব। অসম ক্ৰিকেট সন্থাৰ কাৰ্যালয়ত বিয়লি চাৰি বজাত বৈঠকখন আৰম্ভ হ’ব। আফগানিস্তানৰ বিৰুদ্ধে হ’বলগীয়া শৃংখলাটোত ভাৰতীয় দলটোৱে এখন টেষ্ট মেচ আৰু তিনিখন এদিনীয়া মেচ খেলিব। বৈঠকৰ অন্তত দল ঘোষণাৰ বাবে বি চি চি আইয়ে সংবাদমেল সম্বোধন নকৰে। বি চি চি আইয়ে বিশেষ লিংকৰ জৰিয়তে বাছনিপ্ৰাপ্ত ভাৰতীয় দলৰ তালিকা প্ৰকাশ কৰিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

০০০০০০০০০

সমাপ্ত